পৰ্দা নিলগাই ৰাখিবৰ নিয়ম যদিও চলিছিল তথাপিও মধ্য এচিয়া নতুবা পশ্চিম এচিয়াৰ অংশ সুচুলে।

আফ্‌গান সকলে উত্তৰ ভাৰতত বিয়পি পৰি দিল্লী জয় কৰে। তেতিয়াও আফগান সকলৰ ভিতৰত এই পৰ্দা প্ৰচলিত হোৱা নাছিল। তুৰ্ক আৰু আফ্‌গান কোঁৱৰ সকলে মাইকী মানুহৰ লগত প্ৰায়েই ঘোৰাত উঠি চিকাৰ কৰিছিল। আৰু ক'ত ত'ত মাইকী মানুহক লগতলৈ ফুৰিছিল। হজৰ তীৰ্থযাত্ৰী সকলে মক্কালৈ যাওঁতে মাইকী মানুহৰ মুখ মন্দল কাপোৰেৰে ঢাকি ৰখাটো ইচলাম ধৰ্মৰ এটি অতি পুৰণা নীতি।

পৰ্দা প্ৰণালী ভাৰতত মোগল শাসনৰ দিনৰ পৰাই প্ৰচলিত হয়। এই পৰ্দা প্ৰণালী হিন্দুয়েই হওক নতুবা মুছলমানেই হওক আত্মসন্মানৰ কথা হৈ পৰিল। ভাৰতত এই প্ৰণালীয়ে বেচিকৈ প্ৰাধ্যান্যতা লাভ কৰিলে দিল্লীৰ মধ্যে আৰু পূব অংশত, যুক্ত প্ৰদেশত, ৰাজপুতনাত, বিহাৰ আৰু বেঙ্গলত।

এই পৰ্দা প্ৰণালী পাঞ্জাব আৰু উত্তৰ সীমান্ত প্ৰদেশত য'ত মুছলমৰ সমাজ নাছিল তাত প্ৰৱেশ কৰিব নোৱাৰিলে। মুছলমান সকলৰ বাহিৰে দক্ষিণ আৰু পশ্চিম হিন্দুসকলৰ মাজত এই পৰ্দা প্ৰনালী নাই। ভাৰত শক্তিহীন হৈ অহাৰ লগে লগে পৰ্দা প্ৰণালীয়েও সমাজত প্ৰধান স্থান অধিকাৰ কৰিলে। মোৰ দৃঢ় বিশ্বাস যে এই পৰ্দা প্ৰণালী নিৰ্মূল হলেহে ভাৰতে বিজয়ৰ জয়ধ্বজা উৰুৱাব পাৰিব। এই পৰ্দা প্ৰণালীয়ে সমাজত মহিলাৰ স্থান বহু নিম্নস্তৰলৈ নি যি অনিষ্ট কৰিছে তাতোকৈ বেচি অনিষ্ট সাধন কৰিছে এই পৰ্দাৰ ভিতৰত ৰাখি যি সকল সন্তানসন্ততিক জন্ম দি তুলি তালি ডাঙৰ দীঘল কৰিছে। গতিকে এই পৰ্দা প্ৰথা সমাজৰ পৰা আঁতৰ হলেহে ভাৰতে উন্নতিৰ পথত আগুৱাব পাৰিব বুলি মোৰ বিশ্বাস। সৌভাগ্যক্ৰমে হিন্দুসকলৰ মাজৰ পৰা এই নিয়ম এতিয়া আঁতৰ হৈছে আৰু মুছলমান সকলৰ মাজৰ পৰাও ক্ৰমান্বয়ে আঁতৰিব ধৰিছে।

এই পৰ্দ্দা প্ৰথা আঁতবোৰাৰ মূলতে হল কংগ্ৰেছৰ ৰাজনৈতিক আৰু সামজিক অভিযান সমূহ। এই কংগ্ৰেছৰ ৰাজনৈতিক অভিযানে হাজাৰ বিজাৰ মধ্যশ্ৰেণীৰ মহিলাক সমাজৰ কৰ্মক্ষেত্ৰলৈ টানি আনিলে। গান্ধীজীয়ে সদায়েই এই পৰ্দ্দা প্ৰণালীৰ উচ্ছেদৰ কাৰণে ভীষণ সংগ্ৰাম চলাই আহিছে। এই পৰ্দ্দা প্ৰথাক তেওঁ পশুৰ আচৰণ আৰু পাপ বুলি অভিহিত কৰিছে। এই নিয়ম মহিলাক সমাজৰ নিম্নস্তৰলৈ নমাই নিলে। এই পৰ্দ্দা প্ৰথাৰ কাৰণেই ভাৰতৰ মহা অপকাৰ সাধন হল বুলি মোৰ ধাৰণা।

গান্ধীজীয়ে মহিলাকো মানুহৰ দৰেই সামন অধিকাৰ দিয়াত গুৰুত্ব আৰোপ কৰিছে। অন্তৰৰ মহান অনুভূতিৰে মতা তিৰোতাৰ মাজত সমন্ধ গঢ়ি উঠক বুলি তেওঁ আশা কৰিছিল। আৰু যাতে কোনো ব্যৱধান নাথাকে তাৰেই কামনা কৰিছিল। আচৰণতে প্ৰকৃতিৰ শৃঙ্খলতা আৰু জড়তাহীন হব লাগে বুলি তেওঁ কামনা কৰিছিল। গান্ধীজীয়ে মহিলাক সমাজত সমান অধিকাৰ দিয়াত গুৰুত্ব আৰোপ কৰিছে আৰু ঘৰৰ ভিতৰত চাকৰণীৰ দৰে সোমাই থকাটোক ঘৃণা কৰিছে।

"টাইমূৰৰ ভাৰত আক্ৰমণৰ ফলাফল"

টাইমূৰৰ ভাৰত আক্ৰমণে দিল্লীৰ চুলতানক নিশকতীয়া কৰি পেলালে। যুক্ত প্ৰদেশৰ জৌনপুৰত এখন সৰু মুছলমান ৰাজ্য গঢ়ি উঠিল। ১৫০০ শতিকালৈকে এই ৰাজ্য শিল্প, সভ্যতা, শিক্ষা আৰু সহিষ্ণুতাৰ কেন্দ্ৰস্থল হল। ইয়াৰ জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে হিন্দী ভাষাই জনপ্ৰিয় ভাষা হৈ পৰিল। এই ভাষাৰ বিনিময়তেই হিন্দু আৰু মুছলমান সকলৰ মাজত ধৰ্ম্ম আৰু বিশ্বাসৰো ঐক্য ভাবৰ সমন্ধ বাঢ়ি গল। থিক সেই সময়তেই সুদূৰ কাশ্মিৰত মুছলমান ৰজা জয়নুলাবুদ্দিনে এখন স্বাধীন ৰাজ্য স্থাপন কৰি সংস্কৃত ভাষা আৰু ধৰ্ম্মৰ উন্নতি সাধনত ব্যস্ত হৈ পৰিল।

গোটেই ভাৰততেই এই আদৰ্শ ই তলে তলে যূৰ দাঙি উঠিল।

নতুন অনুসূচনাৰে মানুহৰ মন ভৰপুৰ হৈ নতুন দিগন্তলৈ উৰা মাৰি গল। সমাজত সমাজ সংস্কাৰক আৰ্বিভাব সমাজৰ ঘৃনণীয় প্ৰথা জাতি বিভাজন ভৰিৰে লঠিয়াই সমাজ সংস্কাৰত লাগি গল।

দক্ষিণাত্যত ৰামানুজে ১৫০০ শতিকাত এই জাতি বিভাজনক অমান্য কৰি সমাজ সংস্কাৰত উঠি পৰি লাগিল। এওঁৰ মুছলমান শিষ্য "কবি"ৰে কবিতা আৰু সঙ্গীতৰ জৰিয়তে জাতি বিভাজনৰ ঘৃনণীয় কথা মানুহৰ মনত সুন্দৰকৈ সুমোৱাই দিছিল। এই সময়তেই উত্তৰ ভাৰতত শিখ ধৰ্ম্মপ্ৰচাৰক গুৰু নানকে সমাজ সংস্কাৰত দেহপ্ৰাণ নিয়োগ কৰে। এওঁলোকৰ গুণ গৰিমাৰ আৰু সমাজ সংস্কাৰৰ প্ৰভাৱ বহুদূৰ ব্যাপি পৰিল। নতুন আদৰ্শেৰে হিন্দুধৰ্ম্ম অনুপ্ৰাণিত হল। সেই অনুপাতে ভাৰতত প্ৰচলিত হোৱা ইচ্‌লাম ধৰ্ম্মতো দৃষ্টি ভঙ্গি আন ঠাইতকৈ বেলেগ হল।

এই সকলো বিলাকতকৈ মন কৰিব লগীয়া কথা হল এইটোৱেই যে ভাৰতত বিদেশী শক্তিৰ প্ৰভাব বিস্তাৰ হোৱাৰ স্বত্বেও আৰু পাৰ্শী ভাষা আদালতৰ ভাষা হৈ থকাৰ স্বত্বেও সৰবৰহী ভাষা হিন্দীয়ে অবাধে দেশত চলিয়েই থাকিল।

আগৰ মুছলমান লিখক সকলে কেইবাখনো হিন্দী কিতাপ ৰচনা কৰি গৈছে। এইসকলৰ ভিতৰত খ্যাতিমানলিখক "আমিৰ খচৰু"। এওঁ এজন তুৰ্ক। এওঁৰ উপৰি পুৰুষ সকল আফগান চুলতান সকলৰ শাসনৰ কালত ১৪০০ শতাব্দীতে দুই তিনি পুৰুষলৈকে যুক্ত প্ৰদেশত বসতি কৰিছিল। সংস্কৃত ভাষাতো এওঁৰ যথেষ্ট জ্ঞান আছিল। ভাৰতীয় সঙ্গীতৰ এওঁ এজন সুবিখ্যাত গায়ক আৰু সঙ্গীতৰ নতুন নতুন নিয়ম প্ৰচলনকাৰী। এওঁৱেই হেনো "চিতাৰ" যন্ত্ৰ সঙ্গীত আবিস্কাৰ কৰিছিল। চিতাৰ সঙ্গীত ভাৰতৰ অতি সুপ্ৰিয় সঙ্গীত। এওঁ ভাৰতৰ বিষয়ে বহু কথা লিখি গৈছে। এওঁ লিখিত বিৱৰণৰ ভিতৰত ভাৰতৰ ধৰ্ম্ম, দৰ্শন শাস্ত্ৰ, ন্যায় শাস্ত্ৰ, ভাষা, সংস্কৃত ব্যাকৰণ, সঙ্গীত, গণিত বিজ্ঞান আৰু আন প্ৰধান। ভাৰতত এওঁ

সৰ্ব্ব সাধাৰণে কোৱা হিন্দী ভাষাতে কবিতা ৰচনা কৰি সকলোৰে সমাদৰ লাভ কৰিছিল। তেওঁৰ সাহিত্যৰ জ্ঞান ও গৰিমাৰে শিক্ষিত সমাজক পোহৰাবলৈকে কেৱল কবিতা ৰচনা কৰা নাছিল। গাৱেঁ গাৱেঁ গৈ সৰ্ব্বসাধাৰণে কোৱা কাথাৰে কবিতা ৰচনা কৰি সকলোৰে বুজিব পৰাকৈ সমাজত দাঙ্গি ধৰিছিল। পুৰনি ভাৰতৰ নিয়ামানুযায়ী বেলেগ বেলেগ ঋতুৰ বিষয়ে সঙ্গীত ৰচনা কৰি নিজে সুৰ দি গাইছিল।

তেওঁৰ জীৱনৰ বিষয়েও দৰা সজাৰ পৰা স্ত্ৰীক ত্যাগ কৰালৈকে আৰু পৃথিবীৰ বসন্ত কালৰ বৰ্ণন কৰি সঙ্গীত ৰচি নিজে সুৰ দি গান গাইছিল। বাৰিষা কালত উত্তৰ ভাৰতত এতিয়াও এই বিলাক সঙ্গীত মানুহে গায়। আমিৰ খচৰু" লৰা-বুঢ়া, ডেকা-গাভৰুৰ জীৱনৰ একো একোটা জীৱনৰ বেঙনিও সাঁথৰ হৈ আছে। জীৱিত অৱস্থাতো তেওঁৰ গান আৰু সাঁথৰ সমূহে তেওঁক বিখ্যাত কৰি তুলিছিল।

## "ভাৰতীয় 'সমাজিক' গঠন আৰু 'দলীয়' প্ৰাধান্যতা"

যি সকলে ভাৰতৰ বিষয়ে জানিছে প্ৰায় সকলোৱেই ভাৰতৰ জাতি বিভাজনৰ কথা জানিছে। প্ৰত্যেক বাহিৰা মানুহে এই জাতি বিভাজনক ঘৃণাৰ চকুৰে চাইছে ও ইয়াৰ বিষয়ে আলোচনাও কৰিছে। বৰ্ত্তমান প্ৰায় সকলোৱেই ইয়াৰ বিপক্ষে। তথাপিও বহু হিন্দুৱে ইয়াক মানি আছে। সৰ্ব্বসাধাৰণ ইউৰূপবাসীয়ে আৰু আনকি সকলো ভাৰতবাসীয়েই এই জাতি বিভাজনক যে উচ্চ নীচ শ্ৰেণীগত ভাবে লৈ সমাজত সকলো সা-সুবিধা আদায় কৰিছে এই কথা জানে।

ভাৰতীয় সমাজক বিশেষকৈ তিনি ভাগে ভগাব পাৰি। ১ম জাতি, ২য় জাতিলৈ গাঁও গঠন, ৩য় একেলগে বসতি কৰা পৰিয়াল। এই তিনিওতালৈয়েই দল গঠিত হয়। ব্যক্তিক দ্বিতীয় স্থান দিয়া হৈছে।

আফ্‌গান আৰু তুৰ্কী সকলৰ ভাৰত আক্ৰমণৰ আগেয়ে ১০শ শতাব্দীত চুক্ৰাচাৰ্য্যই লিখা এখন শাস্ত্ৰৰ নাম “নীতিসাৰ”।

এই “নীতিসাৰে” কেন্দ্ৰীয় শাসন চহৰ আৰু গাৱলীয়া জীৱনৰ বহু কথা দাঙ্গি ধৰিছে। ৰজাৰ ৰাজসভা, চৰকাৰৰ নানা বিভাগ, গাওঁ পঞ্চায়ত বচা সভা আদিয়ে শাসন কাৰ্য্য পৰিচালনা আৰু বিচাৰ কৰাৰ বিশেষ ক্ষমতা পাইছিল।

ৰজাৰ চাকৰীয়াল সকলে এই সভাৰ সভ্যসকলক বিশেষ সম্মান দেখুৱাইছিল। পঞ্চায়ত সমূহে সমাজত মাটি বিতৰণ কৰিছিল আৰু মাটিৰ উৎপন্নৰ পৰা কৰ আদায় কৰি ৰজাক দিছিল। এনে বহুতো সভাৰ ওপৰত এখন ডাঙৰ সভা আছিল। এই সভাই দৰকাৰ পৰিলে সভাবিলাকৰ কামত হস্তক্ষেপ কৰিছিল। সভ্যসকলক বাচিবৰ কাৰণে কি কি গুণৰ দৰকাৰ তাকো বৰ্ণনা কৰা আছে। অন্যায় আচৰণ কৰিলে একোজন সভ্যক আঁতৰাবও পাৰিছিল। এই সভ্য সকলৰ অতি ওচৰ সম্বন্ধীয়া মানুহক চাকৰিত নিয়োগ কৰিব নিদিছিল।

গাওঁ পঞ্চায়তে ক্ষমতা পাই গপত ওফন্দি পৰিল। ৰজাৰ পৰা হুকুম নহালৈকে কোনো সৈন্য বাহিনীক গাঁৱৰ ভিতৰত সোমাব নিদিছিল। কোনো অবিচাৰৰ বিৰুদ্ধে কিবা অভিযোগ আহিলে নীতিসাৰৰ মতে ৰজা প্ৰজাৰ ফালেহে থাকিব। যদি বহু আপত্তি উঠে তেন্তে অবিচাৰজনক কামৰ পৰা বৰ্খাস্ত কৰিছিল। কৰ্ম্মচাৰীৰ চাকৰিৰ ক্ষমতাত ওফন্দি ফুৰিবলৈ সুবিধা নহৈছিল। ৰজাই সৰহ সংখ্যক প্ৰজাৰ মতামতভেই শাসন কাৰ্য্য চলাইছিল। প্ৰজাৰ মত ৰজাতকৈয়ো শক্তিশালী যেনেকৈ একোডাল প্ৰকাণ্ড ৰচি কিছুমান সৰু সৰু মিহি সুতাৰে লগ লগাইহে বনৰীয়া বলৱন্ত সিংহকো বান্ধি টানি আনিব পৰা হয়।

কোনোলোকক চৰকাৰী কামত ভৰ্ত্তি কৰাৰ আগেয়ে চৰিত্ৰ আৰু বুদ্ধিৰ পৰীক্ষা হৈছিল।

বিদেশী আক্ৰমণে দেশলৈ যুদ্ধ আৰু ধ্বংসৰ বিভিষীকা আনিলে। বিদেশীৰ নিৰ্ম্মম হস্তক্ষেপত বিদ্ৰোহৰ অগনি জ্বলি উঠিল। নতুন শাসকে কেৱল সামৰিক শক্তিৰ ওপৰতেই নিৰ্ভৰ কৰি ৰব লগা হল। এই শাসক সকলে কেতিয়াবা সমাজৰ চলিত প্ৰথাকো আওকাণ কৰি চলিছিল। ইয়াৰ ফলত গাওঁ পঞ্চায়তে নিজৰ ক্ষমতা হেৰুৱালে। মাটিৰ ওপৰত কৰ কাতলৰ প্ৰথা উদ্ভব হল। আফ্‌গান আৰু মোগল শাসক সকলে ধৰ্ম্ম আৰু সামাজিক নিয়ম হস্তক্ষেপ নকৰি শাসন কাৰ্য্য চলাই থাকিল। গিয়াছুদ্দিন টোগ্‌লগে ব্যক্তিগত স্বাধীনতা অক্ষুণ্ণ ৰাখি ধৰ্ম্ম আৰু সমাজৰ চলিত আইনত কোনো বাধা নপৰাকৈ শাসন কাৰ্য্য চলাই থাকিলে। সময়ৰ সোঁতে এই সকলো বিলাক উটাই নিলে। বৃটীশৰ দিনত গাৱঁৰ শায়ত্ব শাসন লোপ পাই আহিল।

কাৰ্য্যৰ অনুমানিক দিহা।

শ্ৰেণী বিভাজনৰ অভ্যাস : যুটীয়া পৰিয়াল :

ভাৰতত, "ধৰ্ম্ম" কোনো সিদ্ধান্তৰ লাই খুটী নহয়। কেৱল বেলেগ বেলেগ মানসিক সাধনৰ অৱস্থা আৰু মনৰ বিকাশ সাধনৰ অৱস্থা আৰু মনৰ বিকাশ সাধনত কৰা কিছুমান অনুমানিক ধাৰণাহে।

অতীজত যেতিয়া ইন্দু আৰ্য্যৰ শিক্ষাই ভাৰতত আকাৰ ধাৰণ কৰিছিল তেতিয়া মানুহৰ আৱশ্যকতা অনুযায়ী মনৰ বিকাশ সাধনেৰে আৰু আচৰণেৰে ইজনক সিজনৰ পৰা "ধৰ্ম্ম"ই পৃথক কৰি দেখুওঁৱাত সহায় কৰিছিল।

আদিম অৰণ্যবাসী ভাৰতত আছিল। এওঁলোকে যুদ্ধ বিগ্ৰহ কৰিছিল আৰু মূৰ্ত্তিপূজা যেনে গছ, শিল আদিৰ পূজা কৰিছিল। অলৌকিক বিশ্বাসৰ দাস হৈ বংশানুক্ৰমে পূজা পাতল চলাই আছিল। জীৱন ধাৰণৰ মানদণ্ড বঢ়াৰ লগে লগে কিছুমান বিশ্বাসৰ তথ্যও এক হৈ পৰিল। তথাপিও শিক্ষা ও মানসিক ব্যৱধানৰ বহু অমিল হৈ ৰ'ল। ইন্দু আৰ্য্যসকলৰ মনৰ গতি আছিল জবৰদস্তি। এওঁলোকৰ মনৰ গতি আছিল যেই সেই কথাক বিশ্বাস নকৰাটো। প্ৰত্যেক দলকে

নিজ নিজ মানসিক চিন্তাৰ ধাৰা অনুযায়ী কাম কৰিবলৈ এৰি দিয়া হৈছিল। সকলোকে এক কৰাৰ যত্ন চলিছিল কিন্তু দমন কৰা নাছিল।

সমাজিক গঠনতো এনেকৈয়েই কিছুমান কঠিন সমস্যাৰ সম্মুখীন হব লগীয়া হল। বিভিন্ন দলক লগ লগাই এক দলীয় কৰিবলৈ কিমান কঠিন ? প্ৰত্যেক দলেই সংযুক্তভাবে একদলীয় ভিত্তিত কাম কৰিব। প্ৰত্যেকৰে নিজ নিজ স্বাধীনতা অক্ষুণ্ণ থাকিব লাগিব। এক কথাত কব গলে বৰ্ত্তমানৰ সৰু সৰু শ্ৰেণী সমূহকে এই সমস্যাৰ লগত ৰিজাব পাৰি। সৰু সৰু শ্ৰেণী বিভাজনত বহু দেশ আক্ৰান্ত। সমস্যা সমাধানৰ কোনো পথ নাই।

আমেৰিকা যুক্তৰাষ্ট্ৰই আমেৰিকাৰ অলপীয়া সংখ্যকৰ সমস্যা শতকৰা ১০০ জনকেই আমেৰিকা বাসিন্দাৰ কৰি সমাধান কৰিবলৈ চেষ্টা চলাই আছে ! আন দেশ সমূহো অতীতৰ বহু সমস্যাৰ সম্মুখীন হৈ এই সুবিধাৰ পৰা এতিয়াও বহু দূৰত। কানাডাত, শক্তিশালী জাতি ধৰ্ম্ম আৰু ভাষাৰ মৰ্ম্মত ফৰাচীৰ দল আছে। ইউৰূপত এই দেৱাল বৰ ওখ আৰু গভীৰ। ইউৰূপত মানুহৰ ভিতৰত কিছুমান অনুশীলনত মিল আছে। ইউৰূপীয়ান সকলৰ বাহিৰে আনে এই নিয়মত খাপ খাব নোৱাঁৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত নিগ্ৰোবিলাক যদিও শতকৰা ১০০ জনেই আমেৰিকান তথাপি এওঁলোক এটা স্বকীয়া জাতি আৰু বহু সা সুবিধাৰ পৰা বঞ্চিত। আন আন এনে ধৰণৰ বহুতো দুখ লগা উদাহৰণ যতে ততে আছে। ৰুচীয়াতহে কেৱল এক গোটীয়া জাতিয়তাবাদক প্ৰশ্ৰয় দি অলপীয়া সংখ্যক জাতিৰ সমস্যা সমাধান কৰিছে। আমাৰ সকলো জ্ঞানৰ সাপেক্ষে যদি এনে সমস্যা আৰু অসুবিধা বিলাকে উন্নতিৰ পথত বাধা দিয়ে তেন্তে ইন্দু আৰ্য্য-সকলৰ সভ্যতাৰ দিনত ই কিমান কঠিন আছিল তাক অনুমান কৰিব পাৰি।

সাধাৰণতে এই সমস্যা বিলাক ফঁহিয়াই চাওঁতে দেখা যায় যে সেই

সময়ত বিজয়ী সকলে পৰাজয়ী সকলক গোলাম কৰিছিল। এই নিয়ম যদিও ভাৰতত হোৱা নাছিল তথাপি ওপৰ শ্ৰেণী বা দলটোক সকলোতকৈ ওপৰত ৰাখিবলৈ যত্ন লোৱা হৈছিল। এনেকৈয়েই সকলোৰে ওপৰত ওখ খাপত উঠিবলৈ পাই এটা শ্ৰেণী ৰাজ্যত গঢ়ি উঠিল। এওঁলোকে নিজ ইচ্ছা অনুযায়ী জীৱন ধাৰণৰ সকলো পথ বাঁচি ললে। মাজত মাথো এইটোৱেই ব্যৱধান ৰ'ল যে আন দলে আহি ই দলৰ কামত কোনো হস্তক্ষেপ কৰিব নোৱাৰিব।

এই দল সকলৰ প্ৰত্যেকৰেই স্বকীয়া ব্যৱসায় আৰু শিল্প আছিল। ইয়াৰ মাজতেই প্ৰত্যেকৰে ঐক্যতা আছিল। এই ঐক্যতাই দলটোক শক্তিশালী কৰিছিল আৰু দলৰ কোনো সভ্যৰ আৰ্থিক দুৰাৱস্থা হলে সাহায্যও দিছিল। প্ৰত্যেক দলেই নিজৰ কাম সুচাৰু ৰূপে কৰি দেশক সকলো দিশতে শক্তিশালী কৰাতেই গুৰুত্ব আৰোপ কৰিছিল। এই সাম্যভাবেই ভাৰতীয় সমাজৰ বিশেষত্ব। ইয়াৰ উপৰিও নিজ নিজ আচাৰ ব্যৱহাৰ নীতি নিয়ম, কৃষ্টি, শিল্প ৰক্ষা কৰি বোপা ককাৰ চলিত প্ৰথাকো ৰক্ষা কৰাত বিশেষ গুৰুত্ব দিছিল। আৰু সমভাৱে সকলোৱে নিৰ্বিঘ্নে তীৰ্থ আদিও কৰিব পাৰিছিল।

বৰ্ত্তমানৰ লগত আগৰ জাতীয়ত্বা বন্ধন নিমিলে। আগৰ ৰাজনৈতিক বৰ দুৰ্ব্বল আছিল কিন্তু সামাজিক শিক্ষা ও অনুশীলন উন্নত। ৰাজনৈতিক দুৰ্ব্বলতাৰ কাৰণে বাহিৰা শক্তিয়ে আহি ভাৰত জয় কৰিবলৈ সুবিধা পালে। সমাজিক শক্তিয়ে আহি ভাৰত জয় কৰিবলৈ সুবিধা পালে, সামাজিক শক্তিৰ উচ্চতাই নতুন নতুন অনুশীলনৰ সহায়লৈয়ো বিপদ ধুমুহা পৰাজয়ৰ মাজতো ই জীয়াই থাকিবলৈ সক্ষম হল।

শ্ৰেণী বিভাজন হৈছিল ব্যক্তিৰ কৰ্ম্ম ও ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰ। নিজ নিজ দলে কৰ্ম্মৰ ওপৰত সম্পূৰ্ণ হক স্বত্ব ৰাখি, শৃঙ্খলা ভাবে কাম কৰিবলৈ সুবিধা পাইছিল। আঁকোৰগজালিকৈ কাৰো কতো স্বত্ব নাছিল। ইয়াৰ মাজতেই এক স্ত্ৰী বিবাহ, বহু স্ত্ৰী বিবাহ,

আৰু উদাসীন অবস্থাও বিদ্যমান আছিল। সমাজৰ এই সকলো বিলাক সহ্য কৰি—অলপীয়া বা সৰহীয়া সংখ্যকৰ দল হলেও কোনেও কাৰো তলতীয়া স্বীকাৰ কৰিব লগা নহৈছিল।

এজন ব্যক্তিক কোনো এটা দলৰ সভ্য বুলিয়েই গন্য কৰা হৈছিল। সেইদলে কৰা যি কোনো কামকেই সেই সভ্যই নিজ ইচ্ছা অনুযায়ী কৰিব পাৰিছিল। সেই দলৰ কাম ওলট পালট কৰিব পৰা ক্ষমতা কোনো ব্যক্তিৰেই নাছিল। কিন্তু যদিহে সেই ব্যক্তি শক্তিশালী হয় আৰু বহুলোকে তেওঁক মানে তেওঁ আন এটা দল নিৰ্বিবঘ্নে গঠন কৰিব পাৰিছিল। কোনো দলতেই তেওঁ যদি খাপ খাব নোৱাৰে তেন্তে তেওঁ শ্ৰেণীবাদ দি সন্যাসী হৈ নিজ ইচ্ছামতে ঘুৰি ফুৰিব পাৰিছিল।

ভাৰতীয় দলৰ ভিতৰত এটা কাৰ্য্যৰ গতি আছিল যে ব্যক্তিয়ে দলৰ তলতীয়া হৈ সমাজৰ কাম কৰিছিল। ধৰ্ম্ম ও চিন্তাধাৰাও তেনে আছিল। সত্যৰ 'দুৱাৰ' মুকলি কৰি মুক্তি আৰু জ্ঞান লাভ কৰিবলৈ সকলোৰে কি উচ্চ কি নিম্ন দুৱাৰ মুকলি আছিল। মুক্তি আৰু জ্ঞানৰ পোহৰত দলীয় পন্থাই হাত দিব নোৱাৰিছিল। ই ব্যক্তিৰ স্বাধীনতা।

এনেভাবেই দল গঠিত হৈ কালক্ৰমত শ্ৰেণী বিভাজনৰ পন্থা মুকলি কৰিলে। এয়েই জাতি বিভাজনৰ সুত্ৰপাত। অস্পৃশ্যতাৰ কথা বাদ দিলে প্ৰধান প্ৰধান জাতি সমূহ পাওঁ, যেনে ব্ৰাহ্মণ পুৰুহীত, শিক্ষক, বুদ্ধিজীৱি, ক্ষত্ৰীয় বা শাসক আৰু যুদ্ধাৰু, বৈশ্য বা মহাজন, ব্যৱসায়ী বা বেঙ্কাৰচ ইত্যাদি। শূদ্ৰ বুলিলে কৃষিজীৱি, খেতিয়ক বা বণুৱা।

সম্পূৰ্ণ অকল শৰীয়া গোঁঠ হল (১) ব্ৰাহ্মণ সকল। ভিতৰ বা বাহিৰৰ দল সমূহৰ পৰা শক্তিশালী ব্যক্তি বাচি যুদ্ধ বিগ্ৰহত লগোৱা হল আৰু কালক্ৰমত এওঁলোকেই (১) ক্ষত্ৰিয় হল, বাৱসায় বাণিজ্যত ৰাপ থকা লোক সকলেও কালক্ৰমত বৈশ্য হল। খেতি ও ঘৰৰ কাম কৰা লোক সকলকে শূদ্ৰ বোলা হল। এনেভাবে শ্ৰেণী বিভক্ত

হল। ব্ৰাহ্মণে পৰিধান কৰা "লগুন" তল শ্ৰেণীৰ এটা দলে হঠাতে পৰিধান কৰি উচ্চ শ্ৰেণীত ভুক্ত হল। ইচ্ছা অনুযায়ী সকলোৱেই নিজ নিজ কাম কৰিয়েই থাকিল মাত্ৰ আহি পৰিল মান ও মৰ্য্যাদাৰ কথা। কেতিয়াবা তল শ্ৰেণীৰ লোকেও কাৰ্য্য দক্ষতাৰ গুণত শাসনত উচ্চ পদ লাভ কৰিছিল। ই কাচিৎহে ঘটিছিল।

সমাজ-গঠনত সাধাৰণতে কব গলে প্ৰতিযোগিতা মূলক আৰু লাভালাভৰ প্ৰতিদন্দিতামূলক নাছিল। শ্ৰেণী বিভাজনেও কোনো বিশেষ প্ৰতিবন্ধক অনা নাছিল।

সমাজৰ উচ্চ স্তৰত ব্ৰাহ্মণ সকল আছিল। এওঁলোক বিদ্যাবুদ্ধিত পাৰ্গত আছিল গতিকে সকলোৱে এওঁলোকক সন্মান কৰিছিল। সাংসাৰিকতাত এওঁলোক নাছিলেই। মহাজন বা বৈশ্য সকল ধনী আৰু উন্নতশীল আছিল। কিন্তু সমাজত কোনো উচ্চস্থান এওঁলোকে অধিকাৰ কৰা নাই।

বহু সংখ্যক সমাজৰ মানুহেই আছিল খেতিয়ক। জমিদাৰী প্ৰথা নতুবা কৃষকৰ কৰ্ত্তা নাছিল। প্ৰকৃততে কোন মাটিৰ গৰাকী আছিল কোৱা টান। কাৰণ বৰ্ত্তমানৰ দখলিসত্বৰ নিয়ম তেতিয়া নাছিল। খেতিয়ক সকলে তেওঁলোকৰ খেতি কৰি গৈছিল। খেতিৰ উৎপন্নহে কি ভাবে বিতৰণ কৰিব তাৰে প্ৰশ্ন হৈছিল। খেতিৰ সৰহ ভাগ খেতিয়কে পাইছিল আৰু দেশে অৰ্থাৎ ৰজাই ⅙ অংশহে লৈছিল। আৰু গাওঁৰ দলে যি সকলে প্ৰজাৰ কাম কৰিছিল এওঁলোকেও কিছু অংশ পাইছিল। এই সকল হল যেনে;—ব্ৰাহ্মণ, পুৰুহিত, বৈশ্য, শিক্ষক, কমাৰ, কাঠমিস্ত্ৰি, মুচী; কুমাৰ; নিৰ্ম্মাণ কৰোতা, নাপিত আৰু জামাদাৰ সকলেই প্ৰজাৰ কাম কৰোঁতা। গতিকে প্ৰত্যেকেই উৎপন্নৰ অংশীদাৰ আছিল।

"কোন সকল নো অনুন্নত আৰু অস্পৃশ্য আছিল?" সমাজিক সংগঠনত এনেবোৰেই নিম্ন খাপত থকা কিছুমান শ্ৰেণীকেই অনুন্নত

বুলিছিল। আন সকলৰ পৰা পৃথক কৰি ৰাখিবলৈ কোনো নীতি নিয়ম নাছিল।

অস্পৃশ্য সকলক সম্পূর্ণে আলগ কৰা হৈছে। উত্তৰ ভাৰতৰ মাত্র কিছুকম সংখ্যক লোকে ময়লা গেলা পঁচা আদি চাফ্ কৰে আৰু এওঁলোককেই অস্পৃশ্য বোলে। ফাহিয়ানৰ মতে যি সকলে মানুহৰ ময়লা চাফ্ কৰে তেওঁলোকেই "অস্পৃশ্য"। দক্ষিণ ভাৰতত এই সংখ্যা বেচি। এই বিলাকৰ সংখ্যা কেনেকৈ বেচি হল কোৱা টান। যি সকলক কামত নিয়োগ কৰা হৈছিল শেহান্তৰত তেওঁলোককেই অস্পৃশ্য বোলা হল। কিছুমান মাটিহীন লোকও এই শ্রেণীত পৰিল।

উৎসব সবাহাদিত হিন্দুসকলৰ মাজত বিশুদ্ধতাই বিশেষ ঠাই পাইছিল। ই ভালো কৰিলে আৰু বেয়ায়ো কৰিলে। সদায় গা ধোৱা প্রথাটো হিন্দুৰ উন্নত কি অনুন্নত সকলোৱেই পালন কৰিছিল। ভাৰতৰ পৰাই এই অভ্যাস ইংলণ্ড ও আন আন ঠাইত প্রচলিত হল। সর্ব্বসাধাৰণ হিন্দুৱে আনকি অতি দুখীয়া কৃষকেও চুণ ধপাত খোৱা টেমাটোৰ উজ্জ্বলতাত বেচি গৌৰৱ কৰে! পৰিচ্ছনাতাও কোনো বৈজ্ঞানিক পদ্ধতিৰ নহয়। যিজনে ডুবাৰকৈ গা ধোৱে তেওঁ হয়তো বীজাণুৰে ভৰি থকা গেলা পানীকো খায়।

বিয়া সবাহ আদিৰ উৎসব আদিয়ে ক্রমান্বয়ে বিভিন্ন শ্রেণীৰ ইজন সিজনক খোৱা লোৱা আদিৰ পৰা পৃথক কৰাত "মোক নুচুবি" আদি গঢ় লৈ উঠিল। এই অমূলক অবান্তৰ প্রথাই বহুদূৰ আগবাঢ়ি গল আৰু আন কোনো পৃথিবীৰ অংশত ই একেবাৰেই অজ্ঞ হৈ ৰল। এই প্রথাই শেহান্তৰত সমাজৰ কিছুমান লোকক অস্পৃশ্য কৰি পেলালে কাৰণ তেওঁলোক দুৰ্ভগীয়া যিহেতুকে সমাজৰ কিছুমান লাগতীয়াল কামৰ অংশ গ্রহণ কৰিলে যেনে ময়লা চাফ্ কৰা। একে শ্রেণীৰ মানুহৰ লগত খোৱা পিয়া প্রথাই মুৰ দাঙ্গি উঠিল। আনকি নিম্ন শ্রেণীৰ মাজতো এই খোৱা লোৱা অভ্যাস বিশেষভাবে পৰিলক্ষিত হল।

খোৱা লোৱাৰ দৰেই বিয়া বাৰু আদিও একে শ্ৰেণীৰ ভিতৰতেই সীমাবদ্ধ হৈ ৰল। অনুন্নত আৰু অস্পৃশ্য লোক সকলে সমাজৰ সকলো সা-সুবিধাৰ পৰা ক্ৰমান্বয়ে বঞ্চিত হৈ পৰিল। এইভাবেই ভাৰতৰ জাতি বিভাজনে শক্তিশালী জাতিৰ মেৰুদণ্ড ভাঙ্গি পেলালে।

ভাৰতৰ বাহিৰে এনে কু প্ৰথা উচ্চ মানসিক উৎকৰ্ষ সাধন কৰা আমেৰিকা আদিত পৰিপন্থি আছিল। আমেৰিকাই ব্যক্তিগত উন্নতি আৰু আক্যাত্মাক বেচিকৈ উৎসাহিত কৰিছিল।

ভাৰতত আৰু এটা প্ৰথা আছিল একেলগে বসতি কৰা পৰিয়াল। এই প্ৰথা মতে পৰিয়ালৰ মুৰবীজনেই সকলোৰে ওপৰত আৰু সকলো সম্পত্তিতে পৰিয়ালৰ সকলোৰেই সমান অংশ। সেই সকলো বিলাকে নিজ নিজ শ্ৰেণী পৰিয়াল আদি ৰক্ষা কৰাতেই মনোনিবেশ কৰিছিল আৰু সমূহীয়া জাতীয় সংগঠনৰ প্ৰতি লক্ষ্য নিদিছিল। সেই কাৰণেই জাতীয় উন্নতিয়ে বহু বাধাৰ সন্মুখীন হল।

বৰ্ত্তমান ভাৰতেও ব্যক্তিগত উন্নতিক মানি লৈছে আৰু যুটীয়া পৰিয়াল ক্ৰমান্বয়ে ভাঙ্গি পৰিছে। সেই কাৰণেই বহু ক্ষেত্ৰত ভাৰতে উন্নতিৰ পথত আগবাঢ়ি গৈছে।

## বাবৰ আৰু আকবৰ

আকৌ অতীতলৈ ওভটো। আফগান সকলে ভাৰতত বসতি কৰি ভাৰতীয় হল। আফ্‌গান সকলৰ শাসক সকলে পহিলাতে ভাৰতীয় সকলৰ হিংসাত্মৰ সন্মুখীন হল আৰু লাহে লাহে এওঁলোকৰ প্ৰীতি-ভাজন হব ধৰিলে। আগৰ এওঁলোকৰ অসৎ ব্যৱহাৰ এৰি ভাৰতীয় সকলৰ লগত মিলি ভাৰতীয় হৈ ভাৰতৰ সৰ্ব্বাঙ্গীন উন্নতি সাধনত মনোনিবেশ কৰিলে। তেওঁলোক যে বিজেতা এই কথা মনৰ পৰা মুচি পেলালে।

মোগল বংশৰ আকবৰ আছিল তৃতীয় শাসন কৰ্ত্তা। এওঁৰ দিনতেই মোগল সাম্ৰাজ্য একত্ৰ আৰু দৃঢ় হয়। আকবৰৰ আজুক-

কাক বাবৰে দিল্লীৰ সিংহাসন লাভ কৰে ১৫২৬ খৃঃত। কিন্তু তেওঁ ভাৰতৰ লোক সকলৰ ওচৰত আনদেশৰ মানুহ হিচাবেই পৰিগণিত হৈ থাকিল। ভাৰতীয় নহল। বাবৰ আহিছিল উত্তৰফালৰ পৰা, মধ্য এচিয়াৰ টাইমুৰ জাগৰণৰ পৰা য'ত ইৰাণৰ শিল্প কৃষ্টি কলাই প্ৰাধান্য লভিছিল। বাগদাদৰ পৰা ইৰানলৈকে বিয়পি পৰা ধুনীয়া জীৱনৰ সৌন্দৰ্য্য তেওঁ নেপালে কাৰণ তেওঁ হিমৰে ভৰা উত্তৰৰ উচ্চ ঠাইলৈ মনোনিবেশ কৰিছিল আৰু সুস্বাদ মাংস আৰু সুগন্ধি ফুলৰ প্ৰতি আকৃষ্ট হৈছিল। তেওঁ হিন্দুস্থানক বৰ বিতোপন ঠাই বুলি অভিহিত কৰিছিল। ভাৰতলৈ অহাৰ ৪ বছৰৰ পাচত বাবৰৰ মৃত্যু হয়। এই সময় চোৰাত তেওঁ বেচি দিন যুদ্ধ বিগ্ৰতেই কটাই আৰু আগ্ৰাত এখন ৰাজধানী পাতে। কনষ্টেনটিনোপোলৰ কাৰিকৰ চুলেইমানক ধুনীয়া ধুনীয়া অট্টালিকা সজাৰ কামত লগাইছিল।

ভাৰতৰ খুব কম ঠাইহে বাবৰে দেখা পাইছিল কাৰণ এদল শত্ৰু তেওঁৰ পাচত আছিল। বাবৰে দাঙ্গি ধৰা গণনাত দেখা যায় যে উত্তৰ ভাৰত শিল্প শিক্ষাত বৰ দুখীয়া আছিল! ইয়াৰ কাৰণ হল টাইমৰৰ ধ্বংসাত্মক অভিযান আৰু আংশিকৰূপে বহু শিক্ষিত শিল্পী আৰু কাৰিকৰীৰ উত্তৰৰ পৰা দক্ষিণাত্যলৈ যোৱাত। ভাৰতীয় মানুহৰ উৎপাদিত শক্তি ক্ৰমান্বয়ে হ্ৰাস পাই আহিল। ভাৰতীয় মানুহৰ বিশ্বাস আৰু সমাজৰ বান্ধ একে থকাত সমাজিক উন্নয়ণত বাধা পৰিল! ইচলামৰ আগমনে আৰু নানান মানুহৰ আগমনে ভাৰতৰ প্ৰথাক বহুভাবে দূষিত কৰিলে। বিদেশী আক্ৰমনে ভাৰতীয় মানুহৰ মনৰ পৰিবৰ্ত্তণ আনিলে আৰু পৃথিবীখন যে তেওঁলোকে কৰাতকৈ বহু সমস্যা বহুল তাক বুজিব পৰিলে।

বাবৰ এজন মনোমোহা ব্যক্তি, সাহিত্যিক, শিল্পী আৰু সৌন্দৰ্য্যপ্ৰিয় আছিল। এওঁ সাহসিয়াল আৰু দুঃসাহসিক কাৰ্য্য পৰায়ন আছিল। এওঁৰ নাতি আকবৰ এওঁতকৈয়ো গুণৱান আৰু মনোমোহা আছিল। আকবৰ আছিল সাহসিয়াল, সুদক্ষ সেনাপতি, ধৈৰ্য্যপৰায়ণ, আদৰ্শবাদী

আৰু কাল্পনিক। এওঁ সুদক্ষ কৰ্ণধাৰ আৰু কৰ্ত্তব্য পৰায়ণ লোক আছিল আৰু তেওঁৰ অনুগামী সকলৰ অন্তৰত সুদৃঢ়ভাবে দেশ প্ৰেম জগাই তুলিছিল।

যুদ্ধাৰু ৰূপে তেওঁ ভাৰতৰ বহু অংশ দখললৈ আনে। আৰু বিশেষকৈ তেওঁ মানুহৰ অন্তৰ জয় কৰিবলৈ মন নিয়োগ কৰিছিল। ভাৰতক একতা সূত্ৰত বান্ধি পেলাবলৈ তেওঁ বহু যত্ন কৰিছিল। সুদীৰ্ঘ তেওঁৰ শাসন কালচোৱাত ১৫৫৬ খৃঃৰ ৫০ বছৰে এই কামতেই তেওঁ নিয়োগ কৰিছিল। বহু ৰাজপুত কোঁৱৰক যি সকলে কাৰো বশ্যতা স্বীকাৰ নকৰিছিল তেওঁৰ বশ্যতা স্বীকাৰ কৰিলে। তেওঁ ৰাজপুত জীয়ৰিৰ পানি গ্ৰহণ কৰে আৰু এই ৰাজপুত জীয়ৰিৰ ঔৰষত জাহাঙ্গীৰৰ জন্ম হয়। এই জাহাঙ্গীৰেই এওঁৰ উত্তৰাধিকাৰী হল। জাহাঙ্গীৰৰ পুত্ৰ চাহজাহানো ৰাজপুত জীয়ৰীৰ সন্তান।

আকবৰে বিয়া বাৰু বন্ধনেৰে ৰাজপুত সকলক নিজৰ কৰি ৰাজপুত আৰু মোগলৰ শক্তিৰে শক্তিশালী সৈন্যবাহিনী গঠন কৰি শক্তিশালী হৈ পৰিল। বহু ৰাজপুত তেওঁৰ শাসনকাৰ্য্যত নিয়োগ কৰিছিল। মোগলৰ পৰিয়ালবৰ্গ ক্ৰমান্বয়ে ভাৰতীয় হৈ পৰিল আৰু ৰাজপুত আৰু আন আন লোক সকল পাৰ্শীয়ান সভ্যতাৰে প্ৰভান্বিত হল।

আকবৰে বহু ৰাজপুত যুদ্ধাৰুক তেওঁৰ অনুগামী কৰিলে কিন্তু "মেৱাৰৰ ৰাণা প্ৰতাপক তেওঁৰ অনুগামী কৰিব নোৱাৰিলে। ৰানা প্ৰতাপে মোগলৰ তলতীয়া নহৈ চিকাৰীৰ জীৱন যাপন কৰি জংঘলত বসতি কৰিলে।

আকবৰে আশে পাশে এদল মেধাবী মানুহৰে এটা দল গঠন কৰিলে। এই দলটো তেওঁৰ অনুগামী শুশ্ৰুষাকাৰী আৰু আদৰ্শবাদী আছিল। এই সকলৰ ভিতৰত আছিল বিখ্যাত দুই ভাই ফৈজি আৰু আব্দুল ফজল, বীৰবল, ৰাজামানসিং আৰু আব্দুল ৰহিম খান খানা। সীমাহীন বিশ্বাসত আনকি কিছুমান মুছলমান মানুহ এওঁৰ

বিৰুদ্ধে থিয় দিছিল। আকবৰে আনকি সকলোৰে গ্ৰহণযোগ্য এক পন্থা আৱিস্কাৰ কৰিবলৈকো যত্নবান হৈছিল। হিন্দু মুছলমানৰ সম্প্ৰীতি সাধন কৰিবলৈ আকবৰে যত্ন কৰিছিল। আকবৰ মুছলমান সমাজতকৈ হিন্দু সকলৰ সমাজতহে বৰ প্ৰিয় আছিল। মোগল সাম্ৰাজ্যই তেওঁৰ দিনতেই ভাৰতত দৃঢ়ৰূপে প্ৰতিস্থিত হল।

## এচিয়া মহাদেশ আৰু ইউৰোপ মহাদেশৰ ভিতৰৰ বিভিন্নতা

## ইউৰোপ মহাদেশৰ কল কাৰখানা আৰু আবিস্কাৰৰ শক্তি

কৌতুহলপূৰ্ণ আছিল মহামতি আঁকবৰ। যেই কোনো বস্তুৰ আত্মপৰিচয় লবলৈ তেওঁ সদায় ইচ্ছুক। কল কাৰাখানা, যন্ত্ৰ-বিজ্ঞান বৈজ্ঞানিক উপায়ে প্ৰস্তুত কৰা যুদ্ধৰ সজুলি সৈন্য আৰু যুদ্ধৰ হাতী ঘোৰা সুসজ্জিত কৰি ৰখাত এওঁ বিশেষ যত্ন লৈছিল। পতুৰ্গীজ "জেচুটৰ" মতে আকবৰ এজন ক্ষুৰ্ধাৰ্ত্ত মানুহৰ দৰে সকলো কথা বুজিবলৈ সদায় যত্ন কৰিছিল। যদিও আকবৰে তন্ন তন্নকৈ বুজিবলৈ বা শিকিবলৈ যত্ন লৈছিল তথাপি দেখা যায় যে সময়োপযোগী কিছুমান বৈজ্ঞানক বিকাশ কৰিবলৈ তেওঁ কোনো যত্ন নললে। তেওঁক গ্ৰেইট মোগল সম্ৰাটৰ সন্মান দিয়া হল। স্থল শক্তি তেওঁৰ অবৰ্ণনীয়। কিন্তু জল শক্তিত তেওঁ একেবাৰেই শক্তিহীন হল।

১৪৯৮ খৃঃ ত ভাস্কোদিগামাই কেইপেদি কালিকট পায়। আলবুবকৰে ১৫১১ খৃঃ ত মাল্লকা অবৰোধ কৰি ভাৰত মহাসাগৰত পৰ্ত্তুগীজৰ নৌ বাহিনী স্থাপন কৰে। পশ্চিম সাগৰৰ পাৰত থকা "গোৱা" পৰ্ত্তুগীজৰ দখললৈ আহে। এই বিলাক দখলে কিন্তু আকবৰক পৰ্ত্তুগীজৰ প্ৰতিদন্দ্বী হিচাবে থিয় নকৰালে। মক্কাৰ হজলৈ যোৱা কিছুমান গন্যমান্য মোগলক পৰ্ত্তুগীজ বাহিনীয়ে সাগৰত বন্দী কৰিলে। তথাপিও আকবৰে পৰ্ত্তুগীজ শক্তিক দমন কৰিবলৈ কোনো চেষ্টা নকৰিলে। ইয়াৰ পৰাই বুজিব পাৰি যে সাগৰৰ

নৌ শক্তিত আকবৰ বৰ দুৰ্ব্বল। আকবৰে যে সাগৰৰ নৌ শক্তিৰ কাৰনে মনোনিবেশ নকৰিলে এই কথা বুজিবলৈ একো টান নহয়।

ভাৰতবৰ্ষ এখন মহাদেশ। এই মহাদেশৰ ভিতৰত থকা বহু শক্তিৰ লগত আকবৰে যুজিব লগীয়া হোৱাত সাগৰ শক্তিৰ কাৰণে মনোযোগ দিবলৈ তেওঁৰ সময় নোহোৱা হল।

আকবৰে সাগৰৰ জাহাজ তৈয়াৰ কৰাত বিশেষ গুৰুত্ব নিদিলে। যি দুই এখন তৈয়াৰ কৰিলে তাকো কেৱল আমোদ প্ৰমোদৰ কাৰণেহে।

বৰতোপ আদি চলোৱা বিজ্ঞানত মোগলে আৰু আন ভাৰতীয় ৰাজ্যই বিদেশী সৈন্যৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। এই বিদেশী সৈন্য সকল তুৰ্ক আৰু ওটুমান ৰাজ্যৰ। মোগল সৈন্যৰ বৰতোপ আৰু খাৰ বাৰুদ চালকজন "ৰুমীথাঁ"। কনষ্টানটিনুপোলক পূব ৰোম বুলিছিল। ইয়াতেই বিদেশী সকলে স্থানীয় লোক সকলক বন্দুক বাৰুদ আদি শিক্ষা দিছিল। মহামতী আকবৰ আৰু আন আন ভাৰতীয় শাসক সকলে কি কাৰণেনো নিজৰ সৈন্যক শিক্ষাদি বাহিৰৰ পৰা আনিব নোৱাৰিলে তাক বুজা নাযায়?

পৰ্তুগীজৰ জেচুইটছে মহামতী আকবৰক ছাপা কৰা এখন বাইবেল পুথি উপহাৰ দিয়ে। আকবৰে এই ছাপাখানাৰ কাৰণে কিয় বাৰু মনোযোগ নিদিলে? দিয়া হলে তেওঁৰ শাসনকাৰ্য্যবো বহু বিশৃঙ্খলা দূৰ হল হয়।

ঘড়ী মোগল সকলৰ বৰ প্ৰিয় আছিল। এই ঘড়ী পৰ্তুগীজে আনে। পাচতহে ইংৰাজ সকলে আনিছে। আকবৰে এই ঘড়ী তৈয়াৰ কৰাবলৈ কোনো যত্ন নকৰিলে।

ভাৰতত উপযুক্ত কাৰিকৰ আৰু শিল্পী থকাতো যে কাৰিকৰী জ্ঞানৰ কোনো সাধন নহল ই সঁচাকৈয়েই দুখৰ ও বেজাৰৰ কথা।

এই কাৰিকৰী জ্ঞানত সেই সময়ত কেৱল ভাৰতহে পিচপৰি আছিল, এনে নহয় সমগ্ৰ পশ্চিম আৰু মধ্য এচিয়াই পিচ পৰি

ৰ'ল। অতীতত ভাৰত আৰু চীনৰ মাজত সাগৰত চলাচল হোৱা বাণিজ্যই বহু উন্নতি সাধন কৰিছিল। ইউৰোপ যেতিয়া অন্ধকাৰত আছিল ব্যৱহাৰিক জ্ঞানত আৰব দেশ বহু দিশত আগ বাঢ়িছিল। আৰবীয় সকলৰ জ্যোতি শেষত ম্লান হ'ল। সপ্তদশ শতিকাৰ আগভাগত আৰবে ঘড়ী তৈয়াৰ কৰিছিল। দামাস্কাচ ঘড়ীৰ কাৰণে বিখ্যাত। বাগদাদো হাৰানুল ৰচীদৰ দিনত ঘড়ীৰ কাৰণে বিখ্যাত হ'ল। আৰবৰ শক্তি হ্ৰাস পোৱাৰ লগে লগে ঘড়ী তৈয়াৰ কৰা শক্তিও লোপ পালে। ঘড়ীৰ উৎপাদনত ইউৰোপ বিখ্যাত হৈ পৰিল।

## ঃ প্ৰিণ্টিং অৰ্থাৎ ছাপাখানা ঃ

স্পেইনৰ মুৰীচ্চ আৰব সকলে কাক্সটনৰ বহু আগৰ পৰাই কাঠৰ ব্লকত প্ৰিণ্ট কৰিছিল। এইটো কৰিছিল কেৱল অফিচৰ হুকুমৰ নকল ৰাখিবলৈ। ইয়ো অৱশেষত লোপ পালে। মুছলিম্ অটমন তুৰক সকল সেই সময়ত উউৰোপ আৰু এচিয়াৰ শক্তিশালী শক্তি আছিল। এওঁলোকেও ছাপাখানাৰ কামত মনোযোগ নিদিলে। শক্তিৰ আৰম্ভনিতেই এওঁলোকে বহু কিতাপ ছাপা কৰি উলিয়লে। পবিত্ৰ কোৰাণৰ অসৎ ব্যৱহাৰৰ ভয়ত এওঁলোকে প্ৰিন্টিংৰ কামত মন নেমেলিলে। ইজীপ্তত নেপোলীয়নেই প্ৰথমে ছাপাখানা উদ্ভাবন কৰে আৰু লাহে লাহে আৰব দেশ সমূহত বিয়পি পৰে।

অতীতৰ কৰ্ম্ম প্ৰচেষ্টাত যেতিয়া ভাগৰুৱা হৈ এচিয়া মহাদেশ শুই পৰিল তেতিয়া ইউৰোপ মহাদেশে বৃহৎ পৰিবৰ্ত্তন লৈ উন্নতিৰ দুৱাৰ দলিত থিয় দিলেহি নতুন শক্তি আৰু নতুন অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত হৈ সাগৰৰ ভয়াবহ যাত্ৰাৰ আশ্ৰয় ললে। এই জাগৰণে বিজ্ঞানক কিন্তু অলপো আদৰ নকৰিলে। মানুহৰ মন বিজ্ঞানৰ পৰা আঁতৰ হল। ওঠৰশ শতাব্দীলৈকে সৰহ সংখ্যক ইংৰাজেই পৃথিবী যে সূৰ্য্যৰ চাৰিও ফালে ঘুৰে এই কথা বিশ্বাস নকৰিছিল। কুপাৰ

নিকাচ, গেলিলিউ আৰু নিউটন আদি বৈজ্ঞানিক সকলে টেলিস্কোপ আদি তৈয়াৰ কৰি প্ৰমাণ কৰা স্বত্ত্বেও মানিব নুখুজিছিল। এনে ভাবেই সেই সভ্যতাৰ পোহৰৰ দোকমোকালি পৰত ইউৰোপৰ মানুহৰ মন অন্ধকাৰে আবৰি আছিল। লাহে লাহে অন্ধকাৰ দূৰ হল। আৰু ইউৰোপবাসীৰ মন নতুন পোহৰৰ সন্ধানত বলীয়া হল।

আকবৰৰ ৰাজত্বৰ কালচোৱা হল ষোলশ শতাব্দী। এই সময় চোৱাতেই ইউৰোপে জড় জগতৰ শক্তিৰ পৰীক্ষা কৰে। মানৱ ধৰ্ম্মৰ বিকাশ সাধনত এওঁলোকে বাধা দিয়ে। এনে ভাবে পৰিচালিত হৈ উনৈশ শতাব্দীত ইউৰোপে এখন নতুন পৃথিবীৰ জন্ম দিয়ে। এচিয়া মহাদেশ কিন্তু আগৰ দৰেই তন্দ্ৰা মগ্ন হৈ মানুহৰ চেষ্টা ও কৰ্ম্মৰ ওপৰতেই নিৰ্ভৰ কৰি ৰল।

এনেভাবে এচিয়া কিয় পাচ পৰি ৰল? এচিয়া মহাদেশ বৰ ডাঙৰ দেশ আৰু নানান কাৰণত অমিল। চীন আৰু ভাৰতবৰ্ষৰ নিচিনা ডাঙৰ দেশক বেলেগে বিচাৰ কৰিব লাগিব।

যি সময়ত ইউৰোপ অন্ধকাৰত আছিল সেই সময়ত মহাদেশ চীন আৰু ভাৰত সভ্যতাৰ সোপানত। বাচক বনীয়া শিক্ষাবিদৰ বাহিৰেও সকলো দিশৰ পৰাই বাণিজ্য ব্যৱসায়, শিল্প, নিৰ্ম্মাণ উৎপাদন আদিত আগুৱাই আছিল। যেতিয়া গতি বিজ্ঞানে ইউৰোপত মূৰ দাঙ্গি উঠিল তেতিয়া এচিয়া মহাদেশৰ গতি বিজ্ঞাণ সম্পূৰ্ণ এন্ধাৰত ডুব গল।

যি কোনো সভ্যতা দেশৰ ভিতৰুৱা শিঠিলতাৰ কাৰণে জহি খহি যায়। পৰিবৰ্ত্তনীয় পৃথিবীৰ গতিত নতুন দক্ষতাৰে খোজত খোজ মিলাব নোৱাৰিলেই সভ্যতা মৰহি শুকাই যায়। যি কোনো সভ্যতাৰ লগত জড়িত লোক যদি নিগু́ণী আৰু বুদ্ধিত অপৰিপক্ক হয় তেন্তে তেওঁলোকে পৰিবৰ্ত্তনীয় পৃথিবীৰ গতিত খোজত খোজ মিলাবলৈ অপাৰগ হয়। এই অপাৰগতাই সভ্যতাৰ ধ্বংশৰ যবনিকা, আৰু ইয়াৰ কাৰণ এইটোও হব পাৰে যে সমাজৰ প্ৰচলিত শিক্ষাই যি কোনো নিৰ্দ্ধাৰিত স্থানৰ পৰা আগুৱাই যোৱাত সমল যোগাব নোৱাৰে।

এই নিৰ্দ্ধাৰিত শিক্ষাৰ সীমা যেতিয়ালৈকে উপযুক্ত ব্যক্তিত্বৰ অবিহ্ণাৰে সমাজে গুচাব নোৱাঁৰে তেতিয়ালৈকে সমাজে পৰিবৰ্ত্তনীয় পৃথিবীৰ উন্নতিৰ গতিত খোজ দিয়াত ব্যৰ্থ হয়।

তুৰ্ক আৰু আফ্গানিস্থানে ভাৰত আক্ৰমণ কৰাৰ আগেয়ে ভাৰতৰ অৱনতি ঘটে।

ভাৰতৰ সভ্যতাৰ নতুনৰ গতি পথ বাৰু কি শক্তিয়ে ৰূদ্ধ কৰিলে? আফ্গান আৰু তৰ্কৰ সংঘৰ্ষইনে কি? কিছু কিছু ক্ষেত্ৰত ই সংঘতিত হল। শিল্প, সঙ্গীত, কাৰুকাৰ্য্য, অঙ্কন আৰু জীৱনৰ পথ সমূহ এই সংঘৰ্ষত সাল সলনি হল। যদিও সাল সলনি হল তথাপি এই সালসলনি চিৰস্থায়ী হৈ নৰল। ভাৰতৰ অন্ধবিশ্বাসৰ কাৰণেও হব পাৰে নতুবা আফ্গান আৰু তুৰ্ক সকলৰ সভ্যতা ভাৰতীয় সভ্যতাতকৈ বহু পিচ পৰি থকাৰ কাৰণেও হব পাৰে।

মহামতী আকবৰে সমাজৰ পৰিবৰ্ত্তন নিশ্চয় আনিব পাৰিলে হয় যদিহে তেওঁ দুৰদাৰ্শিতাৰে আৰু আগ্ৰেহেৰে পৃথিবীয়ে অনা আন অংশটোৰ ফালে চুকু দিলেহেতেন। সেই সময়ত আকবৰে ইচ্লাম ধৰ্ম্ম ৰাজকীয় ধৰ্ম্ম কৰি তেওঁৰ ৰাজ্য চিৰস্থায়ী কৰাত মনোনিবেশ কৰিলে। কিন্তু তেওঁ কৃতকাৰ্য্য নহল।

## ভাৰতত সৰ্ব্বসাধাৰণে গ্ৰহণীয় সাংস্কৃতিৰ জন্ম

আকবৰে ভাৰতত যি ৰাজ্যৰ ভিত্তি তৈয়াৰ কৰিলে সেই মোগল ৰাজ্য উপযুক্ত শাসন কৰ্ত্তাৰ অবিহনেও ১০০ এশ বছৰ নিৰাপদে চলিল। আকবৰৰ পাচত প্ৰত্যেক মোগল শাসন কৰ্ত্তাৰ দিনতেই সিংহাসন লৈ ৰাজকোঁৱৰ সকলৰ ভিতৰত যুদ্ধ হল। এই যুদ্ধই কেন্দ্ৰীয় শক্তি হ্ৰাস কৰে।

মোগলৰ ৰাজ দৰবাৰ মেধাবী মেধাবী লোকৰ দ্বাৰা পৰিপুষ্ট হৈ আছিল। মোগল সাম্ৰাজ্যৰ যশস্যা আৰু গৌৰব এচিয়া আৰু ইউৰোপ মহাদেশলৈকে জাকজমকীয়া হৈ বিয়পি পৰিল। আগ্ৰা

আৰু নতুন দিল্লীত কাৰুকাৰ্য্যখচিত ধুনীয়া ধুনীয়া আট্টালিকা ঘৰ নিৰ্ম্মান হয়। এই ইণ্ডুমোগল শিল্প কৌশল উত্তৰ আৰু দক্ষিণ ভাৰতত থকা মন্দিৰ আৰু আট্টালিকাত্তকৈ বহু বেলেগে। উৎসাহ আৰু উদ্দিপন্নাৰে পৰিচালিত হৈ ৰাজ মিস্ত্ৰী আৰু বনুৱা সকলে প্ৰেম আৰু আৰু অনুৰাগত পৃথিবী বিখ্যাত "তাজমহল" নিৰ্ম্মাণ কৰে।

শেষৰ শ্ৰেষ্ঠ মোগল সম্ৰাট "আউৰঙ্গজেবে" চলি থকা শাসন যন্ত্ৰৰ ঘড়ীৰ কাটা পিচুৱাই দিব খুজিছিল। এই চেষ্টাত শাসনত বিজুতি ঘটে আৰু অচল হৈ পৰে। মোগল শাসন যেতিয়ালৈকে ভাৰতত সকলোৱে গ্ৰহণ কৰিব পৰা আৰু মানি লব পৰা আছিল তেতিয়ালৈকে উন্নতিৰ জখলাত ভাৰত খাপে খাপে আগুৱাই গৈছিল আৰু সন্মান ও যশস্যাৰে ভৰপুৰ আছিল। মুছলমান হিচাবে আউৰঙ্গজেবে হিন্দুৰ ওপৰত ইচ্‌লাম ধৰ্ম্ম বলেৰে জাপি দিব খোজাত আৰু আগৰ ৰীতি নীতি অবমাননা কৰাত মোগল সাম্ৰাজ্য ভাঙ্গি টুকুৰা টুকুৰ হল। প্ৰতিবেশীৰ দলেও সাম্ৰাজ্যত মূৰ দাঙ্গি উঠিল। শেষত মোগল সাম্ৰাজ্যৰ পতন হল।

উত্তৰ পশ্চিমৰ আক্ৰমন কাৰীৰ সংঘৰ্ষই আৰু ভাৰতত বিয়াপিব খোজা মুছলমান ধৰ্ম্মৰ জটিলতাই ভাৰতত বিশেষ সমস্যাৰ সৃষ্টি কৰিলে।

হিন্দু সমাজত শিপাই অহা ধৰ্ম্মৰ গ্লানিয়ে জাতি বিভাজনৰ কঠোৰতাই আৰু অস্পৃস্যতাই হিন্দু সমাজক অৱাস্তবতাৰ মাজলৈ ঠেলি নিলে। ইচলাম ধৰ্ম্মৰ ভ্ৰাতৃত্ব বন্ধনে আৰু সমভাবে মিলনৰ প্ৰথাই কিছুমান হিন্দুক যি সকলে হিন্দু সমাজত সমাদৰ পোৱা নাছিল তেওঁলোকক আকৰ্ষণ কৰিলে। এনে ভাবেই বহু হিন্দুয়ে মুছলমান ধৰ্ম্মৰ আশ্ৰয় লয়।

সমাপ্ত